For members only

যোগাযোগ

JOGAJOG
August : 2017

Vol : 9 No: 11 Sl No: 107

Monthly Newsletter of
Assam Association, Delhi

*Editor (Hony):*
**Dr Sangeeta Dutta**
466, 3rd Floor
Shree Awas (L&T Aptt.)
Sector 18-B, Phase II, Dwarka
New Delhi-110078
Ph: +91 9910084548
Email: editorjogajog@gmail.com

Graphics, Designing & Printing:
**Swarnagiri Services Pvt. Ltd**
Ph: +91 9873763811

*Published by:*
General Secretary
**Assam Association, Delhi**
**Srimanta Sankaradeva Bhawan**
**A-14B, Satsang Vihar Marg,**
**Qutab Institutional Area,**
**New Delhi - 110 067**
**Ph: 26510426 & 26537786**

E-mail: info@assamassociationdelhi.com,
assamassociationdelhi2015@gmail.com
Website : www.assamassociationdelhi.com



## অসম এছোচিয়েছন, দিল্লীৰ বছৰেকীয়া সাধাৰণ সভাৰ আহ্বান

অহা ইং ৬ আগষ্ট, দেওবাৰে, সন্ধিয়া ৫ বজাত, শ্ৰীমন্ত শঙ্কৰদেৱ ভৱনৰ প্ৰেক্ষাগৃহত অসম এছোচিয়েছন, দিল্লীৰ বছৰেকীয়া সাধাৰণ সভাৰ আহ্বান কৰা হৈছে। ইতিমধ্যে দাখিল কৰা খচৰা প্ৰস্তাৱসমূহ বিবেচনাৰ বাবে সভাত দাঙি ধৰা হ'ব। খচৰা প্ৰস্তাৱ উত্থাপন কৰিবৰ বাবে তথা প্ৰয়োজন সাপেক্ষে সাধাৰণ সভাত ফঁহিয়াই দাঙি ধৰিবৰ বাবে প্ৰস্তাৱক আৰু সমৰ্থক সভাত উপস্থিত থকাটো বাঞ্ছনীয়। সকলো আজীৱন সদস্য/সদস্যাকে এই সভাত অংশগ্ৰহণ কৰিবলৈ এছোচিয়েছনে অনুৰোধ জনাইছে। হিচাপ পৰীক্ষকৰ দ্বাৰা পৰীক্ষিত অসম এছোচিয়েছন, দিল্লী আৰু অসম এছোচিয়েছন সাংস্কৃতিক আৰু শৈক্ষিক ন্যাসৰ বছৰেকীয়া হিচাপৰ প্ৰতিলিপি, শ্ৰীমন্ত শংকৰদেৱ ভৱনৰ জ্ঞাপন ফলকত ইতিমধ্যে লগাই দিয়া হৈছে। এই প্ৰতিলিপিৰ কিছু বিশেষ অংশ এই সংখ্যাৰ যোগাযোগতো তুলি দিয়া হৈছে।

আনহাতে, এছোচিয়েছনৰ ২০১৭-১৯ চনৰ বাবে হ'বলগীয়া কাৰ্য্যকৰী কমিটিৰ নিৰ্বাচন ১৭ চেপ্তেম্বৰত অনুষ্ঠিত কৰা হ'ব। নিৰ্বাচনী বিষয়া ৯ আগষ্টত নিযুক্তি দিয়া হ'ব আৰু নিৰ্বাচনী অধিসূচনা জাৰি কৰা হ'ব ১৫ আগষ্টত। শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথিও ২৩ আগষ্টত উদ্‌যাপন কৰাৰ সিদ্ধান্ত লোৱা হৈছে।

**অসম এছোচিয়েছন, দিল্লী আৰু অসম এছোচিয়েছন সাংস্কৃতিক আৰু শৈক্ষিক ন্যাসৰ বাৰ্ষিক বেলেন্স শ্বীট ৰাইজৰ জ্ঞাতাৰ্থে তুলি দিয়া হৈছে।**

**ASSAM ASSOCIATION DELHI**
**BALANCE SHEET AS ON 31ST MARCH,2017**

| PREVIOUS YEAR | LIABILITIES | | AMOUNT (RS) | PREVIOUS YEAR | ASSETS | AMOU (RS |
|---|---|---|---|---|---|---|
| | | | | | **LAND** | |
| 21,27,088.00 | **CAPITAL FUND** | 21,27,088.00 | | | A-14B Qutub Institutional Area | |
| | Less:Net Deficit | (1,01,605.40) | 20,25,482.60 | 6,02,730.00 | New Delhi | 6,02, |
| | | | | 1,079.00 | **COMPUTER** | - |
| | **CURRENT LIABILITIES** | | | | | |
| 14,375.00 | Expenses Payable | | 14,375.00 | | **INVESTMENT** | |
| | | | | 6,24,536.00 | Fixed Deposit | 6,24, |
| | | | | 17,662.00 | Interest Accrued On FDR | 17, |
| - | Loan from AACE Trust | | 34,500.00 | | **CURRENT ASSETS** | |
| | | | | 7,12,100.00 | Loan to Assam Association Cultural & Educational Trust | 7,12, |
| | | | | | **CASH AND BANK BALANCES** | |
| | | | | 1,21,458.09 | Canara Bank | 1,09, |
| | | | | 61,897.91 | Cash in Hand | 7, |
| **21,41,463.00** | Total | | **20,74,357.60** | **21,41,463.00** | Total | **20,74,** |

For Assam Association , Delhi

(President) (General Secretary) (Treasurer)

Place : Delhi
Dated : 27 JUL 2017

Auditors F
As per Our Separate
of even Date A
For Nidhi & Ass
Chartered Acco

(N.A Bha
PRO
M.No.8

**ASSAM ASSOCIATION CULTURAL & EDUCATIONAL TRUST**

**BALANCE SHEET**
**AS ON 31st MARCH 2017**

| Previous year | Capital and Liabilities | Current Year | Previous year | Assets and Properties | Current Year |
|---|---|---|---|---|---|
| | **Corpus Fund** | | | **Fixed Assets** | |
| 22,054,255 | Opening | 22,566,676 | 19,454,857 | Building | 19,454,857 |
| - | Less: Earlier Year Expenses | (490,000) | 829,043 | Other Fixed assets (Sch. No.-I) | 720,681 |
| 512,421 | Add : Surplus | (536273) | | | |
| 22,566,676 | | 21,540,403 | | **Current Assets, Loans and advances** | |
| | **Current Liabilities** | | | | |
| 75,843 | Provisions | 50,562 | 86,259 | Cash in Hand | 58,760 |
| 4,920 | TDS Payables | - | 779,272 | Balance with Bank | 352,659 |
| - | Sundry Creditors | - | 1,000,000 | FDRs | 1,000,000 |
| | | | (1,992) | TDS | (1,992) |
| | | | 10,000 | Salary Advance | 6,000 |
| | | | 490,000 | Assam Association Delhi | - |
| **22,647,439** | | **21,590,965** | **22,647,439** | | **21,590,965** |

As per our report attached on even date

For PURUSHOTHAMAN BHUTANI & CO
CHARTERED ACCOUNTANTS
FRN: 005484N

CA Binay Kumar Jha
Partner
M.No:509220

For ASSAM ASSOCIATION CULTURAL & EDUCATIONAL TRUST

Chairman Managing Trustee Trustee

Date : 12/05/2017
Place : New Delhi

## সৃষ্টিৰ উদ্যোগত দুৰ্গা পূজা

দিল্লীৰ যুৱ সংগঠন, সৃষ্টিৰ উদ্যোগত আৰম্ভ কৰা সাৰ্বজনীন অসমীয়া দুৰ্গা পূজা সমিতিয়ে, দিল্লীত পূজাভাগ তৃতীয় বাৰৰ বাবে পাতিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰাইজৰ বিপুল সঁহাৰি পোৱাৰ পাছত তেওঁলোকৰে দাবীত পূজাভাগ এইবাৰ গান্ধী আশ্ৰমৰ পৰিবৰ্তে, দিল্লীৰ মাজ মজিয়াত সকলোৰে সুবিধাৰ্থে South Delhi ৰ Qutub Institutional Area , A -16, B Satsang Vihar Marg, near (Sankardeva Bhawan)-ত পাতিবলৈ সিদ্ধান্ত লোৱা হৈছে। এইবাৰ পূজাভাগ ২৬ চেপ্তেম্বৰ ২০১৭ ৰপৰা ৩০ চেপ্তেম্বৰ ২০১৭ লৈ অনুষ্ঠিত হ'ব। সকলোৰে সহায় সহযোগিতা তথা দিহা পৰামৰ্শ আশা কৰা হৈছে বুলি সাধাৰণ সম্পাদক প্ৰভাত বৰুৱাই জাবিলৈ দিছে। এই সাৰ্বজনীন শাৰদীয় দুৰ্গা পূজাৰ সমান্তৰালকৈ এখনি স্মৰণিকা প্ৰকাশ কৰাৰ যো-জা কৰা হৈছে।আগ্ৰহী লেখক-লেখিকাসকলক গল্প, কবিতা, উপন্যাসিকা, প্ৰবন্ধ, অনুভৱ আদিকে ধৰি যিকোনো সৃষ্টিশীল লিখনি ১ চেপ্তেম্বৰ ২০১৭ৰ ভিতৰত নিম্ন লিখিত ব্যক্তিসকলৰ হাতত জমা দিবলৈ সম্পাদকে অনুৰোধ জনাইছে।

যোগাযোগঃ প্ৰভাত বৰুৱা (৮৪৪৭০৫৭৪৬৪), মাণিক দাশ manikdash@yahoo.co.in
প্ৰাঞ্জল প্ৰতিম দাস (৯৮১৮৪২৫৩২৯)

*(বাতৰি যুগুতালে- প্ৰভাত বৰুৱাই)*

## সমন্বয়ৰ শাৰদীয় দুৰ্গা পূজা ২০১৭

নতুন দিল্লীৰ ৰোহিনীস্থ সামাজিক সাংস্কৃতিক অনুষ্ঠান "সমন্বয়ে" ২০১৫ আৰু ২০১৬ চনত সফলতাৰে দুৰ্গা পূজাৰ আয়োজন কৰাৰ পিছত, এইবাৰ চেপ্তেম্বৰ মাহৰ ২৬ তাৰিখৰ পৰা ৩০ তাৰিখলৈ শাৰদীয় দুৰ্গা পূজা আয়োজনৰ প্ৰস্তুতি চলোৱা হৈছে।

পূজাৰ স্থান ঃ M.C.D.-হল, প্ৰশান্ত বিহাৰ, P.V.R. Mall ৰ ওচৰত, ৰোহিনী, দিল্লী- ১১০০৮৫।

পূজাৰ কাৰ্য্যসূচীসমূহ এনেধৰণৰ—

| | |
|---|---|
| ২৬.০৭.২০১৭ | ষষ্ঠী পূজা আৰু বেলবোধন- |
| ২৭.০৭.২০১৭ | মহা সপ্তমী পূজা, পুষ্পাঞ্জলি |
| ২৮.০৭.২০১৭ | মহাঅষ্টমী পূজা। পুষ্পাঞ্জলি |
| ২৯.০৭.২০১৭ | মহানৱমী পূজা। পুষ্পাঞ্জলি |
| ৩০.০৭.২০১৭ | দশমী পূজা। দিনৰ ৭ বজা, |

পূৰ্বৰ দুবছৰৰ দৰে এইবাৰো দুৰ্গা পূজাৰ লগত সংগতি ৰাখি বাৰেবৰণীয়া সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে ২৭-২৯ চেপ্তেম্বলৈ। সাংস্কৃতিক সন্ধ্যাসমূহ, সন্ধ্যা ৭ বজাৰ পৰা আৰম্ভ হ'ব। স্থানীয় শিল্পীৰ গীত-মাত, নৃত্য, নামকীৰ্ত্তন, বিশিষ্ঠ অতিথি শিল্পীৰ মনোমোহা অনুষ্ঠান আদিৰে অলংকিত কৰা হ'ব শাৰদীয় সন্ধ্যাবোৰ। পূজাৰ শুভক্ষণতে সমন্বয়ৰ বাৰ্ষিক পত্ৰিকা "সমন্বয়ৰ এনাজৰী"খনো প্ৰকাশ পাব। যদি কোনো সদাশয় ব্যক্তি, অনুষ্ঠান, প্ৰতিষ্ঠান আদিয়ে দুৰ্গাপূজাৰ বাবে কিবা দান-বৰঙণি আগবঢ়াব বিচাৰে তেন্তে এই নিম্নলিখিত ব্যক্তিসকলক যোগোযোগ কৰিব পাৰে—

ডঃ নিৰঞ্জন ভট্টাচাৰ্য্য (৯৮১০৯৫৪৪৮৩), ডাঃ চন্দন কুমাৰ ডেকা (৯৮১৮০৫৬৭৫৪)

(বাতৰি যুগুতালে "*সমন্বয়*"ৰ *হৈ গীতিমালা ডেকাই*)

## বান সাহায্য

দিল্লী আৰু ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰৰ অসমীয়া ৰাইজৰ সহযোগত তথা অসম এছোচিয়েছন, দিল্লীৰ উদ্যোগত এইবাৰ বানৰ কবলত পৰা অসমৰ বানপীড়িত ৰাইজলৈ বানসাহায্য আগবঢ়োৱা হয়। দিল্লীবাসী উদ্যমী প্ৰভাত বৰুৱা আৰু উজ্জ্বল বৰুৱাকে ধৰি ভালেসংখ্যক যুৱকৰ নেতৃত্বত যোৱা ১৫ ৰপৰা ২৩ জুলাইলৈকে নতুন দিল্লীৰ শংকৰদেৱ ভৱনত এক সাহায্য সামগ্ৰী সংগ্ৰহ শিৱিৰৰ আয়োজন কৰা হয়। ৰাইজৰ বিপুল সঁহাৰিত বানপীড়িতসকললৈ চাউল, দাইল, কাপোৰ আদি প্ৰয়োজনীয় যথেষ্ট বস্তু একগোট কৰিব পৰা যায়। এই একত্ৰিত সকলো বস্তু অসমৰ লখিমপুৰ জিলাৰ পানীগাঁৱত বিতৰণ কৰা হয়। সাহায্য শিৱিৰলৈ সহযোগিতা আগবঢ়োৱাৰ বাবে সমূহ ৰাইজলৈ কৃতজ্ঞতা জ্ঞাপন কৰা হৈছে। এই বানসাহায্যৰদ্বাৰা বানপীড়িতসকল অকণমান হ'লেও উপকৃত হৈছে বুলি আশা ৰখা হৈছে বুলি প্ৰভাত বৰুৱাই জানিবলৈ দিছে।

## প্ৰশংসা পত্ৰ প্ৰদান

যোৱা ২০ জুন ২০১৭ তাৰিখে অসম এছোচিয়েছন, দিল্লীৰদ্বাৰা আয়োজিত উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফলত ৯০ শতাংশ বা তাতোধিক নম্বৰেৰে উৰ্ত্তীণ হোৱা অসমীয়া ছাত্ৰ-ছাত্ৰীসকলৰ সম্বৰ্ধনা অনুষ্ঠানত উপস্থিত থাকিব নোৱৰা দুগৰাকী ছাত্ৰীলৈ শেহতীয়াকৈ প্ৰশংসা পত্ৰ অগবঢ়োৱা হয়। তেওঁলোক হৈছে— বসন্তকুঞ্জ নিবাসী প্ৰদীপ শইকীয়া আৰু মৃদুলা শইকীয়াৰ কন্যা আঞ্চু শইকীয়া (৯০%) আৰু দ্বাৰকাৰ প্ৰাগজ্যোতিষপুৰ এপাৰ্টমেণ্ট নিবাসী সঞ্জীৱ বৰাৰ কন্যা সুজানা বৰা (৯৩.৫%)।

**Advertisement rates:**

| | Monthly (1 Issue) | Yearly (12 Issues) |
|---|---|---|
| Full page : | Rs. 2500/- | Rs. 25,000/- |
| Half page : | Rs. 1800/- | Rs. 16,000/- |
| Quarter page : | Rs. 800/- | Rs. 8000/- |

-Advertisement-

# Packers & Movers
## Assam Dooars Logistics

Guwahati : 9864042023, 9854849637

Tinsukia : 9864147344, 9085107761

Bongaigoan :9864477616,9435021374

Delhi : Chaman Plaza, Opp : ISKCON, East of Kailash, New Delhi–110065

**Tel : 011-32621128, 9212248342, 9811348342**

(Service all Over North East)

T2/T2